# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অপাৰেচন সিন্দূৰৰ জৰিয়তে সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰি ভাৰতে পাকিস্তানক ইয়াৰ দুষ্কাৰ্যৰ উপযুক্ত প্ৰত্যুত্তৰ দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। অসমৰ নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনকে ধৰি দেশৰ বিভিন্ন স্থানৰ ১০৩টা অমৃত ষ্টেচন বিকানেৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰধানমন্ত্ৰীয়ে মুকলি কৰে।

৩। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা আৰু পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে ভাৰতে আৰম্ভ কৰা গোলকীয় অভিযানৰ অংশ হিচাপে আজি তৃতীয়টো দল ৰাওনা হৈছে।

৪। মণিপুৰত নাগৰিক সমাজৰ উমৈহতীয়া সংগঠনে আহ্বান জনোৱা ধৰ্মঘটৰ ফলত উপত্যকাৰ জিলাসমূহৰ স্বাভাৰিক জীৱনযাত্ৰা ব্যাহত হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ooooooo

অপাৰেচন সিন্দূৰৰ জৰিয়তে সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰি ভাৰতে পাকিস্তানক ইয়াৰ দুষ্কাৰ্যৰ উপযুক্ত প্ৰত্যুত্তৰ দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। ৰাজস্থানৰ বিকানেৰত আজি আয়োজিত এখন জনসভাত ভাষণ দি তেওঁ এইদৰে কয়। অমৃত ভাৰত আঁচনিৰ অধীনত ন-ৰূপত সজাই তোলা দেশনোক অমৃত ষ্টেচন মুকলি আৰু বিকানেৰ-মুম্বাই এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভণিৰ সৈতে সংগতি ৰাখি এই জনসভাখনৰ আয়োজন কৰা হয়। জনসভাত দিয়া ভাষণত চৰকাৰে সশস্ত্ৰ বাহিনীসমূহক অভিযানৰ বাবে পূৰ্ণ স্বাধীনতা প্ৰদান কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ ফলত সেনা বাহিনীৰ তিনিওটা শাখাই কৌশলগতভাৱে শত্ৰুপক্ষক শ'লঠেকত পেলাই পাকিস্তানক পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য কৰালে। পাকিস্তানে ভাৰতৰ বিৰুদ্ধে প্ৰত্যক্ষ যুদ্ধত কেতিয়াও জয়লাভ কৰিব নোৱাৰে বাবেই দেশখনে সন্ত্ৰাসবাদক উচতনি দি ছায়া যুদ্ধত লিপ্ত হৈ আহিছে বুলি তেওঁ মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ কাপুৰুষালিৰ ঘটনাৰ পাছত দেশবাসীয়ে সন্ত্ৰাসবাদীক ধ্বংস কৰাৰ পণ লৈছে। আজিৰ অনুষ্ঠানতেই প্ৰধানমন্ত্ৰীয়ে দেশৰ ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৬ খন জিলাৰ ১০৩টা অমৃত ষ্টেচন ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে। ইয়াৰ পূৰ্বে তেওঁ দেশনোকৰ কৰ্ণি মাতা মন্দিৰ দৰ্শন কৰে। প্ৰধানমন্ত্ৰীয়ে আজি বিকানেৰত ২৬ হাজাৰ কোটি ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত ভিতৰত ৰে'ল, পথ, শক্তি, জল আৰু নতুন আৰু নবীকৰণযোগ্য শক্তি খণ্ডৰ প্ৰকল্প আছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে আজি মুকলি কৰা অমৃত ষ্টেচনসমূহৰ ভিতৰত অসমৰ নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনটোও আছে। এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে।

অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিছে।

ooooo

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা আৰু পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে ভাৰতে আগ্ৰাসী গোলকীয় অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ অধীনত আজি ডি এম কেৰ সাংসদ কানিমুঝি কৰুণানিধিৰ নেতৃত্বৰ তৃতীয়টো প্ৰতিনিধি দল ৰাওনা হৈছে। এই দলটোৱে স্পেইন, গ্ৰীচ, শ্ল’ভেনিয়া, লাট্ভিয়া আৰু ৰাছিয়া ভ্ৰমণ কৰিব। ইয়াৰ পূৰ্বে কালি দুটা সৰ্বদলীয় প্ৰতিনিধি দল ৯ খন দেশলৈ ৰাওনা হয়। অপাৰেশ্বন সিন্দূৰ বিষয়ক কূটনৈতিক প্ৰয়াসৰ অংশ হিচাপে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা নেতৃত্বাধীন এটা সৰ্বদলীয় প্ৰতিনিধি দলে ইণ্ডোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰলৈ যাত্ৰা কৰে। এটা বাৰ্তাত জে ডি ইউৰ সাংসদগৰাকীয়ে কয়, যে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতিক লৈ প্ৰতিনিধি দলসমূহে পূৰ্ণ সমৰ্থন কামনা কৰিছে। অপাৰেচন সিন্দূৰত ভাৰতৰ নিয়ন্ত্ৰিত আক্ৰমণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ নীতিক প্ৰতিফলিত কৰিলে বুলি উল্লেখ কৰি জাপান আৰু ভাৰত শান্তি আৰু গণতান্ত্ৰিক মূল্যবোধৰ ক্ষেত্ৰত একত্ৰিতভাৱে থিয় দিছে বুলি প্ৰকাশ কৰে।

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত আন এটা দলে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ-ইউ এ ই, লাইবেৰিয়া, কংগো, আৰু ছিয়েৰা লিঅ’নত উপস্থিত হৈছে। ভ্ৰমণকালত দল দুটাই সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে নতুন দিল্লীৰ সংকল্পৰ বিষয়ে দেশ কেইখনক অৱগত কৰিব। এই দলকেইটাই সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলনতাৰ বাৰ্তা বহন কৰিব আৰু অপাৰেছন সিন্দূৰৰ বিষয়ে জনাব।

ooooo

জম্মু আৰু কাশ্মীৰৰ কিষ্টৱাৰ জিলাৰ ছিংপোৰা চাত্ৰু এলেকাৰ বনাঞ্চলত আজি পুৱা নিৰাপত্তাৰক্ষী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলীয়াগুলীৰ এটা ঘটনা সংঘটিত হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিয়া মতে নিৰ্দিষ্ট খবৰৰ ভিত্তিত আৰক্ষী আৰু সেনাৰ এটা যুটীয়া অভিযানকাৰী দলে অঞ্চলটোত তালাচী অভিযান চলাই থকাৰ সময়তে সন্ত্ৰাসবাদীৰ সৈতে মুখামুখি হয়। এই অভিযানৰ সময়ছোৱাত দুই-তিনিজন সন্ত্ৰাসবাদী অৰণ্যৰ মাজত আৱদ্ধ হৈ পৰা বুলি নিৰাপত্তাবাহিনীৰ সূত্ৰৰ উদ্ধৃতিৰে সংবাদদাতাগৰাকীয়ে জানিবলৈ দিছে। বাতৰি যুগুতোৱাৰ পৰলৈ উভয় পক্ষৰ মাজত গুলীয়াগুলী অব্যাহত আছে।

ooooooooo

দিল্লীত কালি সন্ধিয়া হোৱা এজাক প্ৰবল ধুমুহাৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱায়। দিল্লীৰ অগ্নি নিৰ্বাপক বিভাগৰ তৰফৰ পৰা প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত ধুমুহাৰ ফলত ঘৰ ভাগি পৰাৰ লগতে গছ আৰু বৈদ্যুতিক খুটা উভালি পৰা ঘটনা সন্দৰ্ভত বিভাগটোৰ কাৰ্যালয়লৈ প্ৰায় ৬০ গৰাকী লোকে ফোন কৰিছে। প্ৰচণ্ড বতাহৰ ফলত ভালেমান যান-বাহন ক্ষতিগ্ৰস্ত হোৱাৰ লগতে যান-বাহন, মেট্ৰ’ ৰে’ল আৰু বিমানৰ যাতায়াতো ব্যাহত হয়।

ooooooooo

মণিপুৰত নাগৰিক সমাজৰ উমৈহতীয়া সংগঠনে আহ্বান জনোৱা ধৰ্মঘটৰ ফলত উপত্যকাৰ জিলাসমূহৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। উখৰুলত চলি থকা শ্বিৰুই লিলি উৎসৱত ভাগ ল’বলৈ যোৱা ৰাজ্যিক জনসংযোগ বিভাগৰ এখন বাছৰ যাত্ৰীসকলৰ প্ৰতি সেনা বাহিনীৰ লোকে অৱজ্ঞাসূচক আচৰণ কৰাৰ প্ৰতিবাদত এই ৪৮ ঘণ্টীয়া ধৰ্মঘটৰ আহ্বান দিয়া হৈছে। আমাৰ ইম্ফলৰ সংবাদদাতাই জনোৱা মতে ২০ গৰাকী সংবাদকৰ্মী আৰু মণিপুৰ চৰকাৰৰ জনসংযোগ বিষয়াৰ এটা দল মণিপুৰ ৰাজ্যিক পৰিবহণ নিগমৰ এখন বাছেৰে উখৰুললৈ গৈ থকা অৱস্থাত ইম্ফল পূব জিলাৰ গোৱালতাবিত থকা তালাচী চকীত সেনা বাহিনীৰ চতুৰ্থ মাহাৰ ৰেজিমেণ্টৰ এটা দলে আগচি ধৰে আৰু বাছখনত লিখি থকা মণিপুৰ ৰাজ্যিক পৰিবহণ শব্দকেইটা মোহাৰি নেপেলোৱা পৰ্যন্ত বাছখন যাবলৈ দিয়া নহ’ব বুলি বাধা দিয়ে। এই কাৰ্যৰ সাংবাদিকসকলে প্ৰতিবাদ জনায় আৰু ইম্ফললৈ উভতি আহে। ইয়াৰ প্ৰতিবাদত মণিপুৰৰ উপত্যকা জিলাকেইখনৰ নাগৰিক সমাজৰ উমৈহতীয়া মঞ্চই এই ৪৮ ঘণ্টীয়া ধৰ্মঘটৰ আহ্বান দিয়ে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই এই ঘটনাৰ এটা তদন্ত চলাবলৈ আৰু ১৫ দিনৰ ভিতৰত এই তদন্তৰ প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিছে।

ooooooooo

ৱাশ্বিংটন ডিচিত অৱস্থিত Capital Jewish Museum ৰ সমীপত আজি নিচেই পুৱাতে ইজৰাইলী দূতাবাসৰ দুগৰাকী কৰ্মচাৰীক অচিনাক্ত বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৃহভূমি নিৰাপত্তা বাহিনীয়ে প্ৰকাশ কৰা মতে সংগ্ৰহালয়টোৰ পৰা ওলাই অহাৰ সময়তে ইজৰাইলী দূতাবাসৰ এজন পুৰুষ আৰু এগৰাকী মহিলা কৰ্মচাৰীক বন্দুকধাৰীয়ে অতৰ্কিতে আক্ৰমণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৃহভূমি নিৰাপত্তা বাহিনীৰ সচিব ক্ৰিষ্টি ন'ৱেমে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত এই ঘটনাৰ বিষয়ে নিশ্চিত কৰি ইয়াক কাণ্ডজ্ঞানহীন হত্যাকাণ্ড বুলি অভিহিত কৰে। তেওঁ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষই ঘটনাটোৰ বিষয়ে তৎপৰতাৰে অনুসন্ধান চলাই আছে বুলি জানিবলৈ দিয়ে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ইজৰাইলী ৰাষ্ট্ৰদূত ডেনি ডেননে এই আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিয়ে। ইহুদী সম্প্ৰদায়ৰ অনিষ্ট কৰাৰ ঘটনাই সীমা চেৰাই গৈছে বুলি উল্লেখ কৰি সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ লগতে কয়, যে ইজৰাইলে সমগ্ৰ বিশ্বতে ইয়াৰ নাগৰিক আৰু প্ৰতিনিধিসকলক সুৰক্ষা প্ৰদান কৰি যাব।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্মৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক ৫৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰা চতুৰ্থ তথা অন্তিমটো দল ৰূপে পৰিগণিত হয়। ইয়াৰ বিপৰীতে আই পি এলৰ এইবাৰৰ সংস্কৰণত ডেলহি কেপিটেলছৰ যাত্ৰাৰ সামৰণি পৰে।

0000000

কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ কিদাম্বী শ্ৰীকান্তৰ লগতে মিক্সড্ ডাবল্‌ছৰ যুটি ধ্ৰুৱ্ কপিলা আৰু তানিশা ক্ৰাষ্ট'ৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল প্ৰতিযোগিতাত শ্ৰীকান্তে সুন্দৰ প্ৰদৰ্শনেৰে আয়াৰলেণ্ডৰ নাট নুয়েনক ২৩-২১, ২১-১৭ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। মিক্সড ডাব্‌লছ শাখাৰ যোৱানিশা অনুষ্ঠিত এখন উত্তেজনাপূৰ্ণ খেলত ধ্ৰুৱ্ কপিলা আৰু তানিশা ক্ৰাষ্ট'ৰে ফ্ৰান্সৰ জুলিয়েন মাইয়' আৰু লি পালেৰ্মোক ২১-১৭, ১৮-২১, ২১-১৫ৰ ব্যৱধানত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

পুৰুষৰ একক শাখাত প্ৰতিদ্বন্দ্বিতা কৰা আয়ুস শেট্টি আৰু সতীশ কৰুণাকৰণে পৰাজয় বৰণ কৰি প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হয়।

000000000

**সমাপ্ত**